# সংগ্ৰাম এতিয়াও চলন্ত

**বৰ্তমান যুগত নাৰীয়ে** বহু ক্ষেত্ৰত সফলতা লাভ কৰিছে যদিও তেওঁলোকৰ সংগ্ৰাম এতিয়াও শেষ হোৱা নাই। সমাজত এতিয়াও লিংগ বৈষম্য দেখা যায়, য'ত নাৰীক পুৰুষৰ তুলনাত কম মূল্য দিয়া হয়। বহু সময়ত সমান কামৰ বাবে সমান বেতন নাপায়, যাৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা প্ৰভাৱিত হয়।

তাৰ উপৰি, নাৰীৰ সুৰক্ষাৰ ক্ষেত্ৰতো বহু সমস্যা বিদ্যমান। কেতিয়াবা মহিলাসকলে যৌন হিংসা আৰু অত্যাচাৰৰ সন্মুখীন হয়, যি সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ চিন্তাৰ বিষয়। এই ধৰণৰ ঘটনাবোৰে নাৰীৰ নিৰাপত্তা আৰু স্বাধীনতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে আৰু দেখুৱায় যে সমাজত এতিয়াও সজাগতা আৰু কঠোৰ ব্যৱস্থাৰ প্ৰয়োজন আছে

কিছুমান অঞ্চলত নাৰীৰ শিক্ষাৰ সুযোগ সম্পূৰ্ণ ভাৱে উপলব্ধ নহয়, যাৰ ফলত তেওঁলোক পিছপৰা হৈ থাকে। তথাপিও, নাৰী এই সকলো বাধাৰ মাজতো সাহস আৰু আত্মবিশ্বাসেৰে আগবাঢ়ি গৈ আছে। তেওঁলোকে নিজৰ অধিকাৰৰ বাবে সজাগ হৈছে আৰু সমাজত সমান স্থান লাভ কৰিবলৈ চেষ্টা কৰি আছে।

শেষত, যদিও বহু উন্নতি হৈছে, তথাপিও নাৰীৰ সংগ্ৰাম এতিয়াও চলি আছে আৰু এই সমস্যাবোৰ দূৰ কৰাৰ বাবে সমগ্ৰ সমাজৰ সচেতনতা আৰু সহযোগিতা অতি প্ৰয়োজন।

— গুঞ্জন মেচ

# অন্ধকাৰৰ অন্তঃশিখা

অন্ধকাৰৰ গভীৰ গহ্বৰতো
তুমি এক নীৰৱ দীপ্তি —
সময়ৰ ক্লান্ত দেহত
জ্বলি থকা অন্তঃশিখা ।

তোমাৰ চকুত সঞ্চিত
অসংখ্য অপ্ৰচাৰিত কাহিনী,
যত বেদনা আৰু মমতা
একেই সুৰত মিলি যায় ।

তুমি নিঃশব্দ ত্যাগৰ মহাকাব্য,
প্ৰতিটো নিশাৰ অন্তৰত
নিজক বিলীন কৰি
আনৰ বাবে পোহৰ দিয়া এক সত্তা ।

যেতিয়া বিশ্ব অন্ধকাৰত ডুব যায়,
তেতিয়া তোমাৰ স্পৰ্শ
এটা আধ্যাত্মিক আশ্বাস —
যেন অস্তিত্বৰ জীৱনত স্থিৰতাৰ স্পন্দন ।

— ঈপ্সা গগৈ

# মহৎ লোকৰ বাণী

১) "যি জাতিয়ে নাৰীক সন্মান নকৰে, সেই জাতি কেতিয়াও উন্নতি কৰিব নোৱাৰে।"

— স্বামী বিবেকানন্দ।

২) "নাৰী হৈছে সমাজৰ আটাইতকৈ শক্তিশালী শক্তি, যাৰ সহায়ে বিশ্বক সলনি কৰিব পাৰি।"

— মহাত্মা গান্ধী।

৩) "নাৰী হৈছে প্ৰেম, মৰম আৰু ত্যাগৰ জীৱন্ত প্ৰতিমূৰ্তি।"

— ৰবীন্দ্ৰনাথ ঠাকুৰ।

৪) "সমাজৰ উন্নতি নাৰীৰ অৱস্থাৰে মাপ কৰিব পাৰি।"

— ড° বি. আৰ. আম্বেদকাৰ।

৫) "নাৰী হৈছে সেই শক্তি, যিয়ে পৰিয়াল আৰু সমাজক একেলগে ধৰি ৰাখে।"

— মাদাৰ টেৰেচা।

৬) "নাৰীৰ সাহস আৰু সংকল্পই সকলো বাধা অতিক্ৰম কৰিব পাৰে।"

— চৰোজিনী নাইডু।

৭) "এজনী নাৰী শিক্ষিত হ'লে, এটা পৰিয়াল শিক্ষিত হয়।"

— মালালা ইউচুফজাই।

৮) "নাৰীৰ ভিতৰত অসীম শক্তি আছে, মাত্ৰ তাক চিনাকি কৰিব লাগিব।"

— ইন্দিৰা গান্ধী

— চন্দন শইকীয়া

# কুইজ

১. 'মহিলা দিৱস' কেতিয়া উদযাপন কৰা হয়?

— ৮ মাৰ্চ।

২. ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী কোন?

— ইন্দিৰা গান্ধী।

৩. ভাৰতৰ প্ৰথম মহিলা IPS কোন?

— কিৰণ বেদী।

৪. ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি কোন?

— প্ৰতিভা পাটিল।

৫. "বেটি বচাও, বেটি পঢ়াও" অভিযানটো কেতিয়া আৰম্ভ হয়?

— ২০১৫ চনত।

৬. অসমৰ প্ৰথম মহিলাৰ পাইলট হিচাপে কাক জনা যায়?

— মলিনা দত্ত।

৭. অসমৰ প্ৰথম মহিলা IPS কোন বুলি ধৰা হয়?

— চৈয়দা আনৱাৰা টাইমুৰ।

৮. টকিঅ' অলিম্পিক ২০২০ ত ব্ৰঞ্জ পদক লাভ কৰা অসমৰ মহিলা বক্সাৰ প্ৰৱাকী কোন?

— লভলিনা বুঢ়াগোঁহাই।

— চন্দন শইকীয়া

# সাঁথৰ

১. তোক কাটিলে মই কান্দো, তোকো নাকাটি থাকিব নোৱাৰো।

— পিঁয়াজ ।

২. আছে খুটি বাকলি নাই, মুখত দিলে পানী যায়।

— বৰফ ।

৩. আগ তিতা, গুৰি মৌ, কি কৰিলা ছেবেলী বৌ।

— কুঁহিয়াৰ ।

৪. ঘৰৰ ওপৰত ঘৰ, তাতে পাৰি সৰ।

— আঁটুৱা ।

৫. কি পানীত মাছ নাই ?

— চকুৰ পানীত ।

৬. আহিলা গলা, গলা-আহিলা, আকৌ নাহিলা ।

— দাঁত ।

৭. লোৰ দামুৰী কাঠৰ গাই, যিমান দিয়া সিমান খায়।

— খুন্তা ।

৮. বাঘ নহয় মানুহ খাই, চৰাই নহয় উৰি যায়।

— মহ ।

৯. পানীত জন্মে, পানীত মৰে।


— নিমখ ।

১০. তিনিটা আখৰৰ বস্তুটোক সকলোৱে পঢ়ে, প্ৰথমটো এৰি দিলে গৰম অনুভৱ কৰে।

— কিতাপ ।

— চন্দন শইকীয়া

# Art Section



– Rishi Konwar


- Archana Sonowal



Uday Gogoi (6th Sem)



Uday Gogoi (6th Sem)